**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-01-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। অন্ধ্রপ্রদেশৰ শ্ৰীহৰিকোটাৰ সতীশ ধাৱন মহাকাশ কেন্দ্ৰৰ পৰা উৎক্ষেপন কৰা উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমটো কৃত্ৰিম উপগ্ৰহ 'লাচিত-ৱান'কে ধৰি ১৫ টা উপগ্ৰহৰ উৎক্ষেপনৰ তৃতীয় পৰ্যায়ত বিজুঁতি সংঘটিত হয়।

২। আজি ৰাষ্ট্ৰীয় যুৱ দিৱস। প্ৰসিদ্ধ দাৰ্শনিক, স্বপ্নদ্ৰষ্টা স্বামী বিবেকানন্দৰ জয়ন্তী উপলক্ষে প্ৰতিবছৰে আজিৰ দিনটোত এই দিৱস পালন কৰি অহা হৈছে।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি গুজৰাটৰ গান্ধী নগৰৰ মহাত্মা মন্দিৰত জাৰ্মান চেঞ্চেলৰ ফ্ৰেডৰিক মাৰ্জক সাক্ষাৎ কৰে।

৪। ২০২৪-২৫ বিত্তীয় বৰ্ষত দেশৰ মৎস্য উৎপাদন ১৯৮ লাখ টনলৈ বৃদ্ধি হৈছে।

আৰু

৫। জম্মু-কাশ্মীৰত সুৰক্ষা বাহিনীয়ে কালি আন্তঃৰাষ্ট্ৰীয় সীমা আৰু নিয়ন্ত্ৰন ৰেখাৰ সমীপৰ কেইবাটাও অঞ্চলত সন্দেহযুক্ত ড্ৰোনৰ গতিবিধি লক্ষ্য কৰে।

০০০০০০০

অন্ধ্ৰপ্ৰদেশৰ শ্ৰীহৰিকোটাৰ সতীশ ধাৱন মহাকাশ কেন্দ্ৰৰ পৰা পি এছ এল ভি - চি ছিক্সটি টু ৰকেটৰ সহায়ত আজি উৎক্ষেপন কৰা উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমটো কৃত্ৰিম উপগ্ৰহ 'লাচিত-ৱান'কে ধৰি ১৫ টা উপগ্ৰহৰ উৎক্ষেপনৰ তৃতীয় পৰ্যায়ত বিজুঁতি সংঘটিত হয়। অসম ডনবস্ক' বিশ্ববিদ্যালয়ৰ গৱেষক ছাত্ৰৰ দলে সাজু কৰা উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমটো কৃত্ৰিম উপগ্ৰহ 'লাচিত-ৱান' আজি দিনৰ ১০ বাজি ১৭ মিনিটত উৎক্ষেপন কৰা হৈছিল। ইয়াৰ লগতে দেশী-বিদেশী ১৫ টা কৃত্ৰিম উপগ্ৰহ আছিল। উৎক্ষেপনৰ তৃতীয় পৰ্যায়ত নিয়ন্ত্ৰণ কক্ষৰ সৈতে যোগাযোগ বিচ্ছিন্ন হোৱাৰ ফলত উপগ্ৰহকেইটা কক্ষচ্যুত হয় বুলি ভাৰতীয় মহাকাশ গৱেষণা সংস্থাৰ সূত্ৰই প্ৰকাশ কৰিছে। ইছৰ'ৰ অধ্যক্ষ ড° ভি নাৰায়ণনে প্ৰকাশ কৰা মতে পি এছ এল ভি চাৰিটা পৰ্যায়ত উৎক্ষেপন কৰা হয়। ইয়াৰে দুটা গোটা আৰু দুটা তৰল পৰ্যায়। তৃতীয়টো পৰ্যায়ৰ শেষৰফালে বিজুঁতি হয় বুলি অধ্যক্ষগৰাকীয়ে জানিবলৈ দিয়ে। ইয়াৰ কাৰণ সন্দৰ্ভত বিশ্লেষণ কৰি থকা হৈছে বুলিও তেওঁ সদৰি কৰে।

০০০০০০০

আজি ৰাষ্ট্ৰীয় যুৱ দিৱস। প্ৰসিদ্ধ দাৰ্শনিক, স্বপ্নদ্ৰষ্টা স্বামী বিবেকানন্দৰ জয়ন্তী উপলক্ষে প্ৰতিবছৰে আজিৰ দিনটোত এই দিৱস পালন কৰি অহা হৈছে। যুৱ প্ৰজন্মৰ মাজত আত্মবিশ্বাস, সেৱা আৰু দেশ গঢ়াৰ প্ৰেৰণা যোগোৱাৰ উদ্দেশ্যে পালন কৰি অহা ৰাষ্ট্ৰীয় যুৱ দিৱস উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমতী মুৰ্মুৱে কয়, যে স্বামী বিবেকানন্দৰ

কালজয়ী দৃষ্টিভংগী, মতাদৰ্শ আৰু আধ্যাত্মিক চেতনা মানৱ জীৱনৰ শক্তি হৈ চিৰকাল অনুপ্ৰাণিত কৰি থাকিব। তেওঁ কয়, যে স্বামী বিবেকানন্দই ভাৰতীয়সকলৰ চেতনাত ৰাষ্ট্ৰীয়তাবাদী চিন্তা-ধাৰা প্ৰৱাহিত কৰাৰ লগতে যুৱ প্ৰজন্মক ৰাষ্ট্ৰ গঠনৰ বাবে উৎসাহিত কৰি গৈছে। তেওঁৰ শিকনিসমূহে সমগ্ৰ মানৱ জাতিক উৎসাহিত কৰি থাকিব বুলি শ্ৰীমতী মুৰ্মুৱে মত প্ৰকাশ কৰে।

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে স্বামী বিবেকানন্দৰ জয়ন্তী উপলক্ষে শ্ৰদ্ধা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমযোগে শ্ৰী ৰাধাকৃষ্ণণে কয়, যে স্বামী বিবেকানন্দৰ জীৱন আৰু শিকনিসমূহে মানুহক স্ব-অনুশাসন আৰু নিঃস্বাৰ্থ সেৱাক আধাৰ হিচাপে লৈ অৰ্থৱহ জীৱন যাপন কৰিবলৈ প্ৰেৰিত কৰে। তেওঁৰ আদৰ্শৰ ধাৰা প্ৰজন্মৰ পাছত প্ৰজন্মলৈ প্ৰৱাহিত হ'ব বুলি উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে আশা প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই উপলক্ষে শ্ৰদ্ধা নিবেদন কৰি দিয়া বাৰ্তাত কয়, যে ভাৰতৰ যুৱ শক্তিৰ বাবে স্বামী বিবেকানন্দ প্ৰেৰণাৰ অন্তহীন স্ৰোঁত। তেওঁৰ ব্যক্তিত্ব আৰু কৰ্মই এখন বিকশিত ভাৰত গঠনৰ দিশত নতুন শক্তি জাগ্ৰত কৰিব বুলি প্ৰধানমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। জয়ন্তীৰ এই পৱিত্ৰ ক্ষণে দেশৰ যুৱ প্ৰজন্মৰ লগতে জনসাধাৰণক আত্মবিশ্বাস আৰু আত্মশক্তিৰে অগ্ৰসৰ হোৱাৰ দিক্ নিৰ্দেশ কৰিব বুলি তেওঁ মন্তব্য কৰে।

অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মহান চিন্তাবিদগৰাকীৰ জন্মদিনত শ্ৰদ্ধা নিবেদন কৰিছে। স্বামী বিবেকানন্দৰ জয়ন্তীৰ সৈতে সংগতি ৰাখি নতুন দিল্লীত আয়োজন কৰা বিকশিত ভাৰত যুৱনেতা সন্মিলন-২০২৬ত অসমৰ পৰা অংশগ্ৰহণ কৰা আৰিয়ান কাশ্যপ আৰু দীক্ষিতা চক্ৰৱৰ্তীক মুখ্যমন্ত্ৰীয়ে অভিনন্দন জ্ঞাপন কৰিছে।

oooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি গুজৰাটৰ গান্ধী নগৰৰ মহাত্মা মন্দিৰত জাৰ্মান চেঞ্চেলৰ ফ্ৰেডৰিক মাৰ্জক সাক্ষাৎ কৰে। এই সাক্ষাতে ভাৰত-জাৰ্মান দ্বিপাক্ষিক সম্পৰ্কৰ ক্ষেত্ৰত নতুন অধ্যায়ৰ সূচনা কৰিব বুলি আশা কৰা হৈছে। দুয়োগৰাকী নেতাই পাৰস্পৰিক সহযোগিতা বৃদ্ধিৰ লগতে দুয়োদেশৰ উন্নয়নৰ সৈতে জড়িত কেইবাটাও বিষয় লৈ আলোচনা কৰে। তদুপৰি ২৫ বছৰ সম্পূৰ্ণ হোৱা ভাৰত-জাৰ্মানীৰ কৌশলগত অংশীদাৰিত্ব সন্দৰ্ভতো আলোচনা কৰা হয়। এই দ্বিপাক্ষিক আলোচনাত বাণিজ্য, বিনিয়োগ, উচ্চ প্ৰযুক্তি, প্ৰতিৰক্ষা ক্ষেত্ৰত অংশীদাৰিত্ব বৃদ্ধি, সেউজ বহনক্ষম উন্নয়ন, বিজ্ঞান আৰু গৱেষণা ক্ষেত্ৰৰ বিকাশ সন্দৰ্ভত আলোচনা কৰা হয়। দুয়ো দেশৰ নেতা দুগৰাকীয়ে আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ গুৰুত্বপূৰ্ণ কেতবোৰ বিষয় লৈ আলোচনা কৰে। ইয়াৰ আগেয়ে শ্ৰীমোদী আৰু চেঞ্চেলৰ মাৰ্জে সবৰমতী আশ্ৰম পৰিদৰ্শন কৰাৰ লগতে গান্ধীজীৰ পূৰ্বৰ বাসগৃহ হৃদয়কুঞ্জো দৰ্শন কৰে। তেওঁলোকে মহাত্মা গান্ধীৰ সৰল জীৱন, অহিংসা, সত্য আৰু আত্মনিৰ্ভৰশীলতাৰ প্ৰমূল্যৰাজিৰ প্ৰতি গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰে। পৰিদৰ্শনকালত মহাত্মা গান্ধীৰ আদৰ্শৰাজিৰ প্ৰতি অভিভূত হৈ চেঞ্চেলৰ মাৰ্জে গান্ধীজীৰ বাসগৃহত থকা অতিথিৰ টোকাবহীত নিজৰ অনুভৱ ব্যক্ত কৰে। তেওঁ কয়, যে মহাত্মা গান্ধীৰ স্বাধীনতাৰ শক্তিৰ প্ৰতি থকা দৃঢ় বিশ্বাস সকলোৰে বাবে অনুপ্ৰেৰণা হৈ থাকিব। এইগৰাকী মহান ব্যক্তিৰ আদৰ্শ আৰু প্ৰমূল্য ভাৰত আৰু জাৰ্মানীৰ মাজত সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্ক সৃষ্টিৰ ক্ষেত্ৰত সাঁকো হৈ থাকিব বুলি তেওঁ মন্তব্য কৰে। ইয়াৰ পাছতে শ্ৰী মোদী আৰু মাৰ্জে আহমেদাবাদত আন্তঃৰাষ্ট্ৰীয় চিলা মহোৎসৱত অংশ লয়। তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত এই মহোৎসৱত ৫০ খন ৰাষ্ট্ৰৰ পৰা ১৩৫ খন চিলা উৰুওৱা হ'ব। এই অনুষ্ঠানত দেশৰ বিভিন্ন প্ৰান্তৰ ৯০০ গৰাকী অংশগ্ৰহণকাৰীয়ে ভাগ ল'ব। মহোৎসৱত কাইলৈ নৈশ চিলা উৰুওৱা কাৰ্যসূচী বিশেষ আকৰ্ষণ

হিচাপে পৰিগণিত হ'ব বুলি আশা কৰা হৈছে। এইবাৰৰ মহোৎসৱত অপাৰেচন সিন্দূৰক বিষয়বস্তু হিচাপে লৈ চিলা প্ৰস্তুত কৰা হৈছে।

000000000

২০২৪-২৫ বিত্তীয় বৰ্ষত দেশৰ মৎস্য উৎপাদন ১৯৮ লাখ টনলৈ বৃদ্ধি হৈছে। ২০১৩-১৪ বৰ্ষতকৈ এই উৎপাদন ৯৫ লাখ টন মীন মন্ত্ৰালয়ৰ সূত্ৰ অনুসৰি পশুপালন, দুগ্ধ, মীনপালন আৰু সামুদ্ৰিক উৎপাদন খণ্ডই দেশৰ অৰ্থনীতিত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। এই খণ্ডসমূহে প্ৰায় ৩ কোটি মাছমৰীয়া আৰু মীন পালকক উপাৰ্জনৰ পথ দিছে বুলিও সূত্ৰটোৱে প্ৰকাশ কৰিছে। মীন উৎপাদন খণ্ডত সৰ্বাত্মক উন্নয়নৰ লক্ষ্যৰে এলানি ৰূপান্তৰকামী পদক্ষেপ গ্ৰহণ কৰা হৈছে বুলি মন্ত্ৰালয়ৰ সূত্ৰত প্ৰকাশ পাইছে। ২০১৪-১৫ বৰ্ষৰ পৰা সামুদ্ৰিক বিপ্লৱ, প্ৰধানমন্ত্ৰী মৎস্য সম্পদা যোজনা আৰু প্ৰধানমন্ত্ৰী মৎস্য কিষাণ সমৃদ্ধি শ্বাহ যোজনাৰ অধীনত ৩২ হাজাৰ ৭২৩ কোটি টকা আৱণ্টন দিয়া হৈছে বুলি মন্ত্ৰালয়ৰ সূত্ৰই প্ৰকাশ কৰিছে। সূত্ৰটোৱে প্ৰকাশ কৰা মতে ভাৰতৰ সামুদ্ৰিক খাদ্য ৰপ্তানিয়ে ২০২৪-২৫ বিত্তীয় বৰ্ষত সৰ্বকালৰ সৰ্বাধিক ৬২ হাজাৰ ৪০৮ কোটি টকা অতিক্ৰম কৰিছে।

000000000

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে কয় যে শিক্ষাৰ বৈষম্য হ্ৰাস কৰে প্ৰান্তীয় জনগোষ্ঠীসমূহক সৱলীকৰণ কৰে আৰু উন্নয়ন যাতে দেশৰ চুকে-কোণে বিয়পি পৰে সেই বিষয়ত সহায় কৰে। নতুন দিল্লীৰ জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ নৱম সমাবৰ্তন অনুষ্ঠানত ভাষণ দি তেওঁ কয় যে শিক্ষাই কেৱল চৰিত্ৰ গঠন কৰাই নহয় বৰঞ্চ ই মানৱ মনক শক্তিশালী কৰে আৰু বুদ্ধিমত্তা বিস্তাৰ কৰে। শ্ৰী ৰাধাকৃষ্ণনে ছাত্ৰ-ছাত্ৰীসকলক দেশৰ অৰ্থনৈতিক, সামাজিক আৰু বৈজ্ঞানিক সমৃদ্ধিৰ বাবে কাম কৰিবৰ বাবে আহ্বান জনায়।

উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে শিক্ষা আৰু উপযুক্ত প্ৰশিক্ষণে দেশৰ যুৱক-যুৱতিসকলক ২০৪৭ চনৰ ভিতৰত এখন উন্নত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ লক্ষ্য পূৰণ কৰাৰ ক্ষেত্ৰত সহায় কৰিব বুলিও কয়। তেওঁ আধুনিক আৰু পৰম্পৰাগত মূল্যবোধসমূহ সমান্তৰালকৈ বৃদ্ধি হোৱা বুলি উল্লেখ কৰি ভাৰতৰ ইতিহাসে জ্ঞানৰ সন্ধানত সদায় প্ৰেৰণা যোগাই আহিছে বুলি কয়। ভাৰতীয় ভাষাত নতুন অধ্যয়ন কেন্দ্ৰ স্থাপন কৰাৰ বাবে উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে বিশ্ববিদ্যালয় কৰ্তৃপক্ষক প্ৰশংসা কৰে।

000000000

জিম্মু-কাশ্মীৰত সুৰক্ষা বাহিনীয়ে কালি চাম্বা, ৰাজৌৰী আৰু পুঞ্চ জিলাৰ আন্তঃৰাষ্ট্ৰীয় সীমা আৰু নিয়ন্ত্ৰন ৰেখাৰ সমীপৰ কেইবাটাও অঞ্চলত সন্দেহযুক্ত ড্ৰোনৰ গতিবিধি লক্ষ্য কৰে। আকাশবাণীৰ জম্মুৰ সংবাদদাতাই জনোৱা অনুসৰি এই ড্ৰোনসমূহ পাকিস্তানৰ তৰফৰ পৰা আহিছিল আৰু ভাৰতীয় ভূখণ্ডৰ ওপৰত কেই মিনিট মান উৰি আকৌ পুনৰ উভতি গৈছিল। এই অঞ্চলসমূহত সন্দেহযুক্ত ড্ৰোনৰ গতিবিধি লক্ষ্য কৰি সুৰক্ষা বাহিনীয়ে তালাচী অভিযান আৰম্ভ কৰে।

ৰাজৌৰীত নিয়ন্ত্ৰণ ৰেখাৰ সমীপৰ নৌচেৰা খণ্ডত পহৰা দি থকা সেনা বাহিনীৰ লোকে গানিয়া-কালচিয়ান গাঁৱৰ ওপৰত ড্ৰোনসমূহৰ গতিবিধি লক্ষ্য কৰি গুলি বৰ্ষণ কৰে।

000000000

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি ৰাজমাতা জিজাবাইৰ জয়ন্তীত তেওঁলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সামাজিক মাধ্যমযোগে দিয়া এটা পোষ্টত শ্ৰী শ্বাহে কয় যে ৰাজমাতা জিজাবাই শৈশৱৰ পৰাই চত্ৰপতি শিৱাজী মহাৰাজৰ মনত সাহস, আত্মসন্মান আৰু নিজৰ সংস্কৃতিৰ সুৰক্ষাৰ মূল্যবোধৰ বীজ সিঁচিছিল।

কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে শিৱাজী মহাৰাজৰ অন্তৰত হিন্দাৱী স্বৰাজ প্ৰতিষ্ঠাৰ সংকল্প জাগ্ৰত কৰি দেশ ৰক্ষাৰ মহান দিশৰ লক্ষ্যত আগবাঢ়ি যাবলৈ তেওঁ অনুপ্ৰাণিত কৰিছিল বুলি কয়।

000000000

জম্মু আৰু কাশ্মীৰৰ বিভিন্ন অঞ্চল আজি পুৱতি নিশা ঘন কুঁৱলীয়ে আগুৰি ধৰাৰ ফলত জম্মু চহৰৰ লগতে দাঁতি কাষৰীয়া অঞ্চলসমূহ যথেষ্ট অসুবিধাৰ সৃষ্টি হোৱা পৰিলক্ষিত হয়। আকাশবাণীৰ জম্মুৰ সংবাদদাতাই জনাইছে যে ঘন কুঁৱলীৰ ফলত যান-বাহনৰ চলাচল লেহেমীয়া হয় আৰু ৭ খন বিমানৰো যাত্ৰা বিলম্ব হয়। বতৰ বিজ্ঞান বিভাগে সমগ্ৰ জম্মু সংমণ্ডলৰ বিভিন্ন অঞ্চলত আজিও ঘন কুঁৱলী থাকিব বুলি সতৰ্কবাণী জাৰি কৰিছে।

000000000

সমাপ্ত